**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 2-11-2024
**Time :** 07-55 Hrs

***Assamese Morning Bulletin***

**:::::::::::::::::::::::::::::::::::::::**

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। বিশেষকৈ শাসকীয় বিজেপি, বিৰোধী দল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ চলাইছে। উল্লেখযোগ্য যে বিহালী বিধানসভা সমষ্টিত কালি বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পবিত্ৰ মাৰ্ঘেৰিটা আৰু বিধায়ক দিগন্ত কলিতাই বিভিন্ন স্থানত প্ৰচাৰ অভিযানত অংশ লয়। চামগুৰি সমষ্টিৰ বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ কেবিনেট মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা বিমল বৰাই কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। কাছাৰৰ ধলাই বিধানসভা সমষ্টিৰ লগতে চিৰাঙৰ ছিদলী সমষ্টিতো প্ৰাৰ্থী আৰু সমৰ্থকসকলে ব্যাপক প্ৰচাৰ চলাইছে। ইপিনে, বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ সমৰ্থিত অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ লগতে কংগ্ৰেছ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহই ভোটাৰৰ মন জয় কৰাৰ বাবে চেষ্টা চলাইছে।

০০০০০০০

প্ৰতিথযথা শিল্পী, অভিনেতা, পৰিচালক আৰু নাট্যকাৰ কুলদা কুমাৰ ভট্টাচাৰ্যৰ কালি ৯১ বছৰ বয়সত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। তেওঁ যোৱা কেইবাদিনো ধৰি চিকিৎসাধীন হৈ আছিল। অসমৰ চলচ্চিত্ৰ তথা নাট্য ক্ষেত্ৰলৈ অনবদ্য বৰঙণি আগবঢ়াই যোৱা ভট্টাচাৰ্যই গুৱাহাটী অনাতাঁৰ কেন্দ্ৰযোগে প্ৰচাৰিত নাট পৰশুৰামৰ অভিনয়ৰ জৰিয়তে জনপ্ৰিয়তা অৰ্জন কৰিছিল।

আজি তেওঁৰ নশ্বৰদেহ সমলয় সূৰ্য্য ক্লাৱত শ্ৰদ্ধাঞ্জলি যাচিবৰ বাবে ৰখা হ'ব। গুণমুগ্ধসকলে দিনৰ চাৰে দহ বজাৰ পৰা এক বজালৈ তেওঁলৈ শ্ৰদ্ধা জ্ঞাপন কৰিব পাৰিব। ইয়াৰ পাছতেই ইলোৰা বিজ্ঞান মঞ্চই তেওঁৰ দেহ সংগ্ৰহ কৰিব। প্ৰয়াত শিল্পীগৰাকীয়ে ইলোৰা বিজ্ঞান মঞ্চলৈ তেওঁৰ দেহ দান কৰি গৈছে।

শিল্পীগৰাকীৰ বিয়োগত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী অশোক সিংহালৰ লগতে বিভিন্ন দল সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দীপাৱলী আৰু কালীপূজা উপলক্ষে কালি তিনিচুকীয়া জিলা ভ্ৰমণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে  তিনিচুকীয়াৰ নিউ মাৰ্কেট কালী পূজাস্থলীত উপস্থিত হৈ দেৱীৰ আশিস গ্ৰহণ কৰে। ইপিনে, দীপাৱলী উপলক্ষে গুৱাহাটী মহানগৰীও বৰ্ণময় আলোকেৰে উজলি উঠে। মাটিৰ চাকিৰ পোহৰৰ সমান্তৰালভাৱে ৰং-বিৰঙী আলোকসজ্জাৰে মহানগৰীত দৃষ্টিনন্দন পৰিৱেশৰ সৃষ্টি হয়। আনহাতে, চিৰাঙৰ পানবাৰীত নদিনীয়া কাৰ্যসূচীৰে কালীপূজা পালন কৰা হৈছে। কালি জিলাখনৰ ছিদলী বিধানসভা সমষ্টিৰ উপ-

নিৰ্বাচনৰ এন ডি এ সমৰ্থিত ইউ পি পি এলৰ প্ৰাৰ্থী প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্ম আৰু কোকৰাঝাৰৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে পানবাৰীৰ কালী মন্দিৰত দেৱীৰ আশিস গ্ৰহণ কৰে।

০০০০০০০

সমগ্ৰ দেশৰ লগতে অসমতো কালিৰ পৰা ২১ সংখ্যক ৰাষ্ট্ৰীয় পশুধন পিয়ল আৰম্ভ হৈছে। ইয়াৰ অংশ হিচাপে কালি গোলাঘাটৰ বোকাখাত সম-জিলাৰ কুৰুৱাবাহী পঞ্চায়তৰ নগয়া পামত আয়োজিত উদ্বোধনী অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰা উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানত ডিজিটেল এপৰ জৰিয়তে কিছুসংখ্যক পশুপালকৰ তথ্য পঞ্জীভুক্ত কৰা হয়। উল্লেখযোগ্য যে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে পশুপালকসকলৰ ঘৰে ঘৰে গৈ ডিজিটেল এপৰ জৰিয়তে পশুধন পিয়লৰ কাম সম্পূৰ্ণ কৰাৰ অভিযান আৰম্ভ কৰিছে।

০০০০০০০

অসমীয়াৰ লগতে ৰাজ্যৰ বিভিন্ন জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰ সন্দৰ্ভত আলোচনাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ উদ্যোগত কাইলৈৰ পৰা ৯ নৱেম্বৰলৈকে ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হ'ব। এই সময়ছোৱাত ভাষা বিষয়ক বিভিন্ন কৰ্মসূচীও গ্ৰহণ কৰা হ'ব। ভাষা গৌৰৱ সপ্তাহৰ বিভিন্ন কাৰ্যসূচীৰ ভিতৰত আছে– চতুৰ্থ শতিকাৰ পৰা পৰ্যায়ক্ৰমে অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি যোগোৱা মনিষী, পণ্ডিত আৰু ভাষাবিদসকললৈ কৃতজ্ঞতা জ্ঞাপন, প্ৰকাশন পৰিষদে প্ৰকাশ কৰা **ধ্ৰুপদী অসমীয়া** শীৰ্ষক গ্ৰন্থ নাগৰিকৰ মাজত বিতৰণ আৰু অসমীয়াৰ উপৰি ৰাজ্যৰ অন্যান্য সৰু-বৰ ভাষাৰ বিকাশ-বিৱৰ্তন সন্দৰ্ভত তথ্যপূৰ্ণ আলোচনা। ভাষা গৌৰৱ সপ্তাহৰ এটা প্ৰধান কাৰ্যসূচী হিচাপে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এক লাখ নাগৰিকৰ জৰিয়তে কৃতজ্ঞতাসূচক পত্ৰ প্ৰেৰণ কৰা হ'ব।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত কালিৰ পৰা পৰ্যটকৰ বাবে হাতী ছাফাৰী মুকলি কৰা হৈছে। কৃষিমন্ত্ৰী অতুল বৰাই কঁহৰা বনাঞ্চলৰ মিহিমুখত ফিটা কাটি আনুষ্ঠানিকভাৱে হাতী ছাফাৰী মুকলি কৰে। পৰম্পৰাগত হস্তী পূজাৰে ২০২৪-২৫ পৰ্যটন বৰ্ষৰ হাতী ছাফাৰী মুকলি কৰা হয়। বাগৰি বনাঞ্চলতো কালিৰে পৰা ব্যক্তিগত হাতী ছাফাৰী আৰম্ভ হৈছে। হাতী ছাফাৰী মুকলি হোৱাৰ প্ৰথম দিনটোতে কঁহৰা বনাঞ্চলৰ ১০টা হাতীত বেলজিয়াম, আমেৰিকা, ইংলেণ্ডৰ পৰ্যটককে ধৰি দেশী-বিদেশী মুঠ ৩০ গৰাকী পৰ্যটক হাতী ছাফাৰী কৰে। উল্লেখযোগ্য যে, বন বিভাগে যোৱা ১ অক্টোবৰত ৰাষ্ট্ৰীয় উদ্যানখনত জীপ চাফাৰী মুকলি কৰিছিল। উদ্যান কৰ্তৃপক্ষই জনোৱা মতে, অক্টোবৰ মাহত ২৮ হাজাৰ ৯৮০ গৰাকী পৰ্যটকে ৰাষ্ট্ৰীয় উদ্যানখনত জীপ ছাফাৰী কৰে। ইয়াৰে ভাৰতীয় পৰ্যটক ২৮ হাজাৰ ৪০১ গৰাকী আৰু বিদেশী পৰ্যটকৰ সংখ্যা হৈছে ৫৭৯ গৰাকী।

০০০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক তথা বিক্ৰেতা সংস্থাৰ উদ্যোগত অহা ৫ ৰ পৰা ১১ নৱেম্বৰলৈ দুলীয়াজানৰ বিহুতলীত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। এই গ্ৰন্থমেলাত অসমৰ ভালেমান

আগশাৰীৰ প্ৰকাশন গোষ্ঠীৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ কেইবাটাও প্ৰকাশন গোষ্ঠীয়ে অংশগ্ৰহণ কৰিব। পৰিষদে জনোৱা অনুসৰি গ্ৰন্থমেলাৰ বাকৰিত ভিন ভিন সাংস্কৃতিক অনুষ্ঠানৰ কাৰ্যসূচীও গ্ৰহণ কৰা হ'ব।

ooooooo

**সমাপ্ত**